তোমালোকে যেতিয়া নিজৰ ভাতৃৰ সৈতে সাক্ষাৎ কৰিবা, তেতিয়া তাক ছালাম কৰিবা। ইয়াৰ পিছত উভয়ৰ মাজত যদি গছ, দেৱাল, অথবা শিল আদিৰ দ্বাৰা অন্তৰায় হয়, তাৰ পিছত পুনৰ লগ পালে আকৌ ছালাম কৰিবা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে যেতিয়া নিজৰ ভাতৃৰ সৈতে সাক্ষাৎ কৰিবা, তেতিয়া তাক
ছালাম কৰিবা। ইয়াৰ পিছত উভয়ৰ মাজত যদি গছ, দেৱাল, অথবা শিল আদিৰ দ্বাৰা অন্তৰায় হয়,
তাৰ পিছত পুনৰ লগ পালে আকৌ ছালাম কৰিবা।" [ছহীহ] [(আবু দাঊদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোৰ দ্বাৰা মুছলিমসকলক ইজনে সিজনৰ সৈতে যেতিয়াই সাক্ষাৎ হ'ব তেতিয়াই ছালাম কৰিবলৈ উৎসাহিত কৰিছে। আনকি যদি দুজন ব্যক্তি একেলগে খোজকাঢ়ি গৈ আছে, তেনেতে যদি দুয়োৰে মাজত কোনো গছ, দেৱাল অথবা ডাঙৰ শিল এটাৰ জৰিয়তে অন্তৰায় সৃষ্টি হয়, ইয়াৰ পিছত যদি দুয়ো আকৌ লগ হয় তেন্তে তেতিয়াও পুনৰ ছালাম কৰিব লাগে।

http://sunnah.global/hadeeth/as/show/3552